eklavya

# খিচিৰি

লোক কথা




প্ৰস্তুতকৰ্তাঃ

জিতেন্দ্ৰ কুমাৰ

ছবিঃ দূৰ্গাবাই ব্যাস




# খিচিৰি

লোক কথা

প্ৰস্তুতকৰ্তাঃ জিতেন্দ্ৰ কুমাৰ

ছবিঃ দূৰ্গাবাই ব্যাস

eklavya

Khichdi... Ek Lokkatha

Illustrations: Durgabai Vyam
Present by : Jitendra kumar
Assamese Translation: Ayang Trust & The Hummingbird School family

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Developed with financial support from the H T Parekh Foundation.

First edition: March 2023 (1000 copies)
Paper: 100 gsm Maplitho and cover 220 gsm FB Board
ISBN: 978-93-94552-46-3
Price: ₹ 60.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: R k Secuprints Ltd, Bhopal






এদিন ভোলা শাহুৰেকৰ ঘৰলৈ গৈছিল। তাত পোৱাৰ পাছত তাৰ বহুত ভোক লাগিছিল। সি শাহুৰেকক কিবা খোৱা বস্তু বিচাৰিলে আৰু শাহুৰেকে লৰালৰিকৈ চাউল আৰু দাইলেৰে খিচিৰি বনাই তাক মৰমেৰে খাবলৈ দিলে। ভোলাই আগতে এনেকুৱা খাদ্য কেতিয়াও খাই পোৱা নাছিল। সি এই খাদ্যটো খাই বহুত ভাল পালে আৰু শাহুৰেকক সুধিলে, “এই খাদ্যটোৰ নাম কি?” শাহুৰেকে ক'লে, “খিচিৰি।”




ভোলাই ভাবিলে, ঘৰলৈ গৈ সি আকৌ খিচিৰিকে খাবগৈ। কিন্তু নামটো কেনেবাকৈ পাহৰি যাব বুলি সি ঘৰলৈ যাওঁতে বাটে বাটে 'খিচিৰি' 'খিচিৰি' বুলি কৈ যাবলৈ ধৰিলে।




এনেদৰে গৈ থাকোতে ভোলাৰ এটা ভৰি গাঁতত সোমাই গল আৰু সি উচপ খাই উঠিল। লগে লগে সি ‘খিচিৰি’ শব্দটো পাহৰি গ'ল আৰু তাৰ মুখত ‘খা চৰাই’ শব্দটো ওলাবলৈ ধৰিলে। তেনেকৈয়ে সি ‘খা চৰাই’ ‘খা চৰাই’ বুলি কৈ কৈ গৈ থাকিল।



ভোলা আহি থকা ৰাস্তাৰ কাষতে এজন খেতিয়কে পথাৰত ধান সিঁচি আছিল। ভোলাই ‘খা চৰাই’ ‘খা চৰাই’ বুলি কোৱা শুনি খেতিয়কজনৰ বহুত খং উঠিল।




খেতিয়কজনে ক'লে, “মই পথাৰত ধান সিঁচি আছো আৰু তই ‘খা চৰাই’ বুলি ক'বলৈ আহিছ। ৰ তোক আজি ভালকে পিটন দিম।”

এনেকৈ কৈ খেতিয়কজনে ভোলাক খেদিবলৈ ধৰিলে। সি ভয় খাই ক'লে, “তেনেহলে মই কি কম?” খেতিয়কজনে ক'লে,“তই ‘উৰ চৰাই’ ‘উৰ চৰাই’ বুলি ক।”




তেতিয়া ভোলাই ‘উৰ চৰাই’ ‘উৰ চৰাই’ বুলি কৈ কৈ যাবলৈ ধৰিলে।

সেই ৰাস্তাটোৰ অলপ আগত এজন চিকাৰীয়ে চৰাই ধৰিবৰ বাবে জাল পাতি আছিল। ভোলাই ‘উৰ চৰাই’ ‘উৰ চৰাই’ বুলি কৈ থকা শুনি চিকাৰীজনৰ বহুত খং উঠিল।




চিকাৰীজনে খঙতে ভোলাক ক'লে, “মই চৰাই ধৰিবলে ইমান কষ্ট কৰি জাল পাতি আছো আৰু তই ‘উৰ চৰাই’ ‘উৰ চৰাই’ বুলি ক'বলৈ আহিছ। ৰ তোক আজি ভালদৰে পিটন দিম।” এনেকৈ কৈ সি ভোলাক মাৰিবলৈ খেদি গ'ল। ভোলাই ভয়তে ক'লে, “তেনেহলে মই কি বুলি কব লাগে?” তেতিয়া চিকাৰীজনে ক'লে, “তই ‘বহ চৰাই’ ‘বহ চৰাই’ বুলি ক।”




তেতিয়া ভোলাই ‘বহ চৰাই’ ‘বহ চৰাই’ বুলি কৈ যাবলৈ ধৰিলে।

তেনেতে তাৰ বহুত ভোক লাগিল। সি এখন হোটেলত সোমালে আৰু ‘বহ চৰাই’ খাবলৈ বিচাৰিলে। ভোলাই খাবলৈ বিচৰা বস্তুটো হোটেলৰ কোনো মানুহে চিনি নাপালে।




তথাপিও ভোলাই কেৱল ‘বহ চৰাই খাম’ বুলিয়ে কৈ থাকিল। তেতিয়া হোটেলৰ মানুহখিনিৰ বহুত খং উঠিল আৰু ভোলাক পিটিবলৈ ধৰিলে।

সেই সময়তে ভোলাৰ মাক হোটেলত ওলাই আহিল।



পুতেকক পিটা দেখি তেওঁ ক'লে, “তোমালোকে মোৰ ল'ৰাটোক পিটি পিটি একেবাৰে খিচিৰি বনাই দিলা।”

মাকৰ মুখত খিচিৰি শব্দটো শুনি ভোলা বহুত সুখী হ'ল আৰু হাঁহি হাঁহি ক'লে, “মইটো খিচিৰিয়েই খাবলৈ বিচাৰি আছিলো।”



H T Parekh FOUNDATION
An Initiative by HDFC
WITH YOU, RIGHT THROUGH

eklavya

Price: ₹ 60.00

9 789394 552463